জাতিৰ আৱেগ সমাজৰ বিৱেক

দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

...তিতম বছৰ, সংখ্যা ৩৫১ ● মঙলবাৰ ● ১৪ ভাদ ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Tuesday September 1, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ পৰা

	Fixed Pay
...na in ...ineering ...hing ...erable.	Rs 16500/- per month

...am Gazette from Indian

...ge, caste etc.

...ection committee.

...e.

...nber Secretary
...nagement Committee
...nowal/Dibrugarh

কানৈ মহাবিদ্যালয়ত অধ্যাপিকা ড° চন্দনা গোস্বামীৰ বিদায় সভা

‘অৱসান ঘটে কৰ্মজীৱনৰ, অৱদান ৰৈ যায় চিৰদিন’

ডিব্ৰুগড ঃ ষ্টাফ ৰিপ’ৰ্টাৰ, ৩১ আগষ্ট ঃ ‘অৱসান ঘটে কৰ্মজীৱনৰ, অৱদান ৰৈ যায় চিৰদিন। এগৰাকী শিক্ষকৰ অৱসৰ কেৱল এটা চাকৰিৰ পৰিসমাপ্তি নহয়, ই হৈছে এটা দীঘলীয়া কৰ্মযাত্ৰাৰ আনুষ্ঠানিক সমাপ্তি, যাৰ সৈতে জড়িত হৈ থাকে অগণন স্মৃতি, ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়াৰ অমূল্য অৱদান আৰু এখন শিক্ষানুষ্ঠানৰ বিকাশৰ ইতিহাস।’ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অনাশিক্ষক কৰ্মচাৰী গোটৰ উদ্যোগত অনুষ্ঠিত মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপিকা ড° চন্দনা গোস্বামীৰ ১৩ পিঠিলৈ

৯ অক্টোবৰত চিত্ৰগৃহলৈ আহিব অসমীয়া ছবি ‘ডিফলু’

গুৱাহাটী ঃ ষ্টাফ ৰিপ’ৰ্টাৰ, ৩১ আগষ্ট ঃ অসমৰ চলচ্চিত্ৰপ্ৰেমী ৰাইজৰ অপেক্ষাৰ অন্ত পেলাই অহা ৯ অক্টোবৰত ৰাজ্যজুৰি মুক্তি লাভ কৰিব নতুন অসমীয়া কথাছবি ‘ডিফলু’ৱে। আজি গুৱাহাটী প্ৰেছ ক্লাবত অনুষ্ঠিত এখন সংবাদমেলত বৰলুইত প্ৰডাকশ্যনৰ নিৰ্মাতা গোষ্ঠীয়ে এই কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। ছবিখন পূৰ্বে ২১ আগষ্টতে মুক্তি দিয়াৰ কথা আছিল যদিও ৰাজ্যৰ ভয়াৱহ বান পৰিস্থিতিৰ বাবে ১৩ পিঠিলৈ

tech
–
+
Enter

জাতিৰ আৱেগ সমাজৰ বিৱেক

দৈনিক জনমভূমি

ortal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

ম বছৰ, সংখ্যা ৩৫১ ● মঙলবাৰ ● ১৪ ভাদ ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Tuesday September 1, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ

এছ চি

ৰাষ্ট্ৰ

ব্ৰিকছ সি
ৰুছ ৰাষ্ট্ৰ
আমন্ত্ৰ
■ আৰ্মে
প্ৰধানমন্ত্ৰী
আলো

বিস্কেক, ৩১ অ
শীৰ্ষ সন্মিলনৰ
পেজেস্কিয়ানৰ
পুটিনক অহা ম
আধা ঘণ্টাতকৈ
ইউক্ৰেইন যুদ্ধৰ

নলগেদেৰা

নাজিৰ

‘অৱসান ঘটে কৰ্মজীৱনৰ...’

বিদায় সভাত আদৰণি ভাষণ প্ৰদান কৰি অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কালি এইদৰে কয়। ১৯৯৩ চনৰ ২ এপ্ৰিলত বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপিকা হিচাপে যোগদান কৰি সুদীৰ্ঘ ৩৩ বছৰ ধৰি মহাবিদ্যালয়খনৰ শৈক্ষিক, প্ৰশাসনিক আৰু সামাজিক ক্ষেত্ৰত নিষ্ঠা, সততা আৰু নিঃস্বাৰ্থ সেৱা আগবঢ়াই অহা অধ্যাপিকা ড° চন্দনা গোস্বামীৰ কৰ্মৰাজিৰ কথা উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয়— ‘তেওঁৰ কৰ্মনিষ্ঠা আৰু সৰল-সৌহাৰ্দ্যপূৰ্ণ ব্যক্তিত্বই সহকৰ্মীসকলৰ মাজত এক বিশেষ স্থান লাভ কৰিছিল। বুৰঞ্জী বিভাগৰ মুৰব্বী হিচাপে তেওঁ বিভাগটোক সু-সংগঠিত কৰাৰ লগতে মহাবিদ্যালয়ৰ সামগ্ৰিক প্ৰশাসনিক কাম-কাজতো দায়িত্বশীল ভূমিকা পালন কৰিছিল। তেওঁৰ এই অৱদান মহাবিদ্যালয়খনৰ ইতিহাসত সদায় স্মৰণীয় হৈ থাকিব।’ মহাবিদ্যালয়ৰ অধ্যাপক ড° মৃদুল শৰ্মাই আঁত ধৰা অনুষ্ঠানটিত অধ্যক্ষগৰাকীয়ে লগতে কয় যে শিক্ষকৰ প্ৰকৃত সাফল্য তেওঁৰ পদবী বা সেৱাকালৰ দৈৰ্ঘ্যত নহয়, বৰং তেওঁ কিমানজন শিক্ষাৰ্থীৰ জীৱনক জ্ঞান, মূল্যবোধ আৰু আত্মবিশ্বাসেৰে সমৃদ্ধ কৰিব পাৰিলে তাতহে নিহিত থাকে। সেই অৰ্থত ড° গোস্বামীৰ কৰ্মজীৱন নৱপ্ৰজন্মৰ শিক্ষকসকলৰ বাবে এক অনুপ্ৰেৰণাৰ উৎস হৈ থাকিব বুলি তেওঁ মন্তব্য কৰি অধ্যাপিকা ড° গোস্বামীৰ অৱসৰ জীৱন সুখ, শান্তি আৰু সুস্বাস্থ্যৰে পৰিপূৰ্ণ হোৱাৰ শুভেচ্ছা জ্ঞাপন কৰে। মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাগুলীয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত বিদায়ী অধ্যাপিকা ড° চন্দনা গোস্বামীয়ে ভাষণ প্ৰদান কৰি মহাবিদ্যালয়খনত কটোৱা ৩৩ বছৰীয়া কৰ্মজীৱনৰ বিভিন্ন স্মৃতি ৰোমন্থন কৰে। সহকৰ্মী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ পৰা লাভ কৰা মৰম, সহযোগিতা আৰু আন্তৰিকতাৰ বাবে তেওঁ কৃতজ্ঞতা জ্ঞাপন কৰি কানৈ মহাবিদ্যালয়ৰ সৈতে জড়িত হৈ থকা সময়ছোৱা তেওঁৰ জীৱনৰ এক অমূল্য অধ্যায় বুলি অভিহিত কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈ, অধ্যাপিকা ড° সঞ্চিতা বৰুৱা, অধ্যাপিকা ড° মৰমী তালুকদাৰ, অধ্যাপিকা ড° মিতালী চলিহা, অধ্যাপক ড° দেৱাঞ্জন হাজৰিকা, অধ্যাপিকা ড° নিতুমণি শইকীয়া, অধ্যাপক ড° উত্তম মহনে ড° চন্দনা গোস্বামীৰ সৈতে কটোৱা কৰ্মজীৱনৰ স্মৃতি ৰোমন্থন কৰি তেওঁৰ সৰলতা, কৰ্তব্যনিষ্ঠা, সহৃদয়তা আৰু সহকৰ্মীসকলৰ প্ৰতি থকা আন্তৰিকতাৰ কথা উল্লেখ কৰে। কৰ্মচাৰীসকলৰ ফালৰ পৰা ভুৱনজ্যোতি বৰুৱা, নমিতা শইকীয়া, প্ৰশান্ত মাঝিৰি শইকীয়া আৰু দিগন্ত বৰুৱাইও বিদায়ী অধ্যাপিকাগৰাকীৰ সৈতে থকা স্মৃতি আৰু অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানত মহাবিদ্যালয় কৰ্তৃপক্ষৰ তৰফৰ পৰা বিদায়ী অধ্যাপিকা ড° চন্দনা গোস্বামীক ফুলাম গামোচা, চেলেং চাদৰ আৰু সম্বৰ্ধনা-পত্ৰৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ কৰ্মচাৰী গোটৰ সভাপতি, সম্পাদককে ধৰি ভালেসংখ্যক কৰ্মচাৰী উপস্থিত থাকে। ৩৩ বছৰীয়া এক দীঘলীয়া আৰু গৌৰৱময় কৰ্মযাত্ৰাৰ অন্তত আনুষ্ঠানিকভাৱে বিদায় ল'লেও ড° গোস্বামীৰ জ্ঞান, নিষ্ঠা আৰু অৱদান কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক ইতিহাসত সদায় সজীৱ হৈ থাকিব বুলি উপস্থিত শিক্ষক-কৰ্মচাৰীসকলে মত প্ৰকাশ কৰে। উল্লেখযোগ্য যে ২৭ আগষ্টৰ দিনাও বুৰঞ্জী বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্যোগত অধ্যাপিকা ড° চন্দনা গোস্বামীৰ এক ব্যতিক্ৰমী বিদায় সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হৈ যায়।

প্ৰতিশ্ৰুতি পুনৰ দোহাৰে। বৈঠকত খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অতিৰিক্ত মুখ্য সচিব বিশ্বৰঞ্জন ছামাল, আয়ুক্ত হেমন্ত ভূঞা, উপ-সচিব দীপান্বিতা দাসৰ লগতে বিভাগটোৰ অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

জে চি বিৰ আগত পৰি...

সংশ্লিষ্ট পৰিয়ালটোৰ অভিযোগ অনুসৰি, মুখ্য কাৰ্যবাহী সদস্যৰ সৈতে কেইবাবাৰো বৈঠক আৰু বাৰে বাৰে আৱেদন-নিৱেদন কৰাৰ পাছতো প্ৰকৃত আৰু যোগ্য হিতাধিকাৰীসকলে এতিয়ালৈকে ক্ষতিপূৰণৰ ধন লাভ কৰা নাই। ফলত ক্ষতিপূৰণৰ বাবে মুকলি কৰা ধনৰ বৰ্তমান স্থিতি আৰু ধন বিতৰণত হোৱা বিলম্বৰ কাৰণক লৈ গুৰুতৰ প্ৰশ্ন উত্থাপিত হৈছে। আন অঞ্চলতো একেধৰণৰ অভিযোগ। এই সমস্যা কেৱল এটা পৰিয়ালতে সীমাবদ্ধ নহয় বুলি জানিব পৰা গৈছে। গুঞ্জুং, হাৰাংগাজাও আৰু মাইবাং অঞ্চলতো ক্ষতিপূৰণ সম্পৰ্কীয় একেধৰণৰ অভিযোগ উত্থাপিত হৈছে। ক্ষতিগ্ৰস্ত গাঁওবাসীৰ অভিযোগ অনুসৰি, সংশ্লিষ্ট স্থানসমূহত যৌথ পৰিদৰ্শন কৰা হৈছিল আৰু ক্ষতিপূৰণ দিয়াৰ আশ্বাসো দিয়া হৈছিল, কিন্তু এতিয়ালৈকে বহুক্ষেত্ৰত ধন আদায় দিয়া হোৱা নাই। ক্ষতিগ্ৰস্ত পৰিয়ালসমূহে সংশ্লিষ্ট কৰ্তৃপক্ষৰ তাৎক্ষণিক হস্তক্ষেপ, ক্ষতিপূৰণৰ বাবে মুকলি কৰা ধনৰ বৰ্তমান স্থিতিৰ স্বচ্ছ প্ৰকাশ আৰু যোগ্য হিতাধিকাৰীসকলক শীঘ্ৰে প্ৰাপ্য ক্ষতিপূৰণ আদায় দিয়াৰ দাবী জনাইছে। লগতে, ক্ষতিগ্ৰস্ত ব্যক্তিগত ভূমিৰ মালিকসকলৰ বৈধ দাবী যথাযথভাৱে আৰু আইন অনুসৰি নিষ্পত্তি নোহোৱালৈকে সংশ্লিষ্ট ভূমিত নিৰ্মাণকাৰ্য আগবঢ়াই নিনিবলৈও কৰ্তৃপক্ষক আহ্বান জনোৱা হৈছে। মূল প্ৰশ্ন ঃ যদি ক্ষতিপূৰণৰ ধন ইতিমধ্যে মুকলি কৰি দিয়া হৈছে, তেন্তে ক্ষতিগ্ৰস্ত আৰু যোগ্য ভূমিৰ মালিকসকলে এতিয়াও তেওঁলোকৰ প্ৰাপ্য ধন কিয় লাভ কৰা নাই? সংশ্লিষ্ট কৰ্তৃপক্ষই ক্ষতিপূৰণৰ ধনৰ প্ৰকৃত স্থিতি স্পষ্ট কৰি জনসাধাৰণৰ সন্মুখত প্ৰকাশ কৰাৰ লগতে কোনো প্ৰকৃত হিতাধিকাৰী যাতে তেওঁলোকৰ আইনসংগত প্ৰাপ্য ক্ষতিপূৰণৰ পৰা বঞ্চিত নহয়, সেয়া নিশ্চিত কৰা উচিত বুলি দাবী কৰে।

কণ্ঠশিল্পী সুলেখা বসুমতাৰীলৈ...

সংগীত জগতলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতি স্বৰূপে চিৰাং জিলাৰ বিজনীৰ বিশিষ্ট কণ্ঠশিল্পী তথা মেলোডী কুইন সুলেখা বসুমতাৰীক ২০সংখ্যক মেন অব্ দ্য ইয়াৰ ২০২৬ বঁটাৰ বাবে নিৰ্বাচিত কৰে। উল্লেখ্য যে ১৯৬৫ চনৰ ১ মাৰ্চত বিজনীৰ ডাঙাইগাঁৱত জন্ম গ্ৰহণ কৰা কণ্ঠশিল্পী সুলেখা বসুমতাৰীয়ে বিগত ১৯৭৯ চনত অল ইণ্ডিয়া ৰেডিঅ'ত বড়ো গীত গাই ৰাইজৰ মাজত চিনাকি হৈ পৰে। ইয়াৰ পৰৱৰ্তী সময়ত বিগত ১৯৮৬ চনত ৰজত কমল ৰাষ্ট্ৰীয় বঁটা লাভ কৰা প্ৰথমখন বড়ো বৈশিষ্ট্যপূৰ্ণ